SP3/67


# সেউজ পত্ৰিকা

প্ৰকৃতি আৰু পৰিৱেশ বিষয়ক পত্ৰিকা

# GREEN LETTER

36TH ISSUE
May, 2017 :: Vol. 14th

A JOURNAL BOOK ON ENVIRONMENT & NATURE :: ISBN-978-81-922276-34




গছ বিহু উপলক্ষে কপৌ ফুল বিশেষ সংখ্যা

ব'হাগ ২০১৭

## সম্পাদকীয়

# কপৌ ফুলৰ বিপদ

"বিহুটি আদৰৰ, বিহুটি সাদৰৰ"। পিছে আদৰ আৰু সাদৰৰ বিহুটি কপৌফুলৰ বাবে বিপদৰ! কিয়নো গোটেই অসমজুৰি হাজাৰ হাজাৰ বিহু সমিতিয়ে পতা বিহু নৃত্য প্ৰতিযোগিতা বিলাকত জয়লাভ কৰি "বিহু সম্রাজ্ঞী', 'বিহু কুঁৱৰী', 'মৌ কুঁৱৰী', 'বিহুৱতী' খিতাপ লাভৰ তাগিদাত গছত ধুনীয়াকৈ ফুলি থকা কপৌ ফুলবোৰ ছিঙি অনা হয়। কপৌফুল এনেয়ে এবিধ বিপদগ্ৰস্ত প্ৰজাতিৰ উদ্ভিদ, তাতে আমাৰ বিহু নৃত্য প্ৰতিযোগিতা বিলাকত ইয়াক এক বাধ্যতামূলক পৰিধান যোগ্য বস্তু কৰি দিয়াত প্ৰতিযোগীসকলে টাঁহি-মুহি ফুলবোৰ ছিঙি ইয়াক অধিক বিপদগ্ৰস্ত কৰি তুলিছে। অৱশ্যে কিছুমানে ব্যৱসায়িক ভিত্তিত কপৌফুলৰ খেতি কৰি, প্ৰতিযোগীসকলক ফুলবিধ যোগান ধৰাৰ চেষ্টা কৰিছে। কিন্তু সেই কথাটো বিশেষজ্ঞ সকলে সমৰ্থন কৰা নাই। কাৰণ এনেক্ষেত্ৰত বনবিভাগৰ বা বন আইনৰ বিধিগত নিয়ন্ত্ৰণ নাই। এসময়ত, বিশেষকৈ বৃটিছ



শাসনকালীন সময়ত অসমৰ কপৌফুল ইউৰোপীয় দেশলৈ ৰপ্তানি হৈছিল আৰু অসমৰ হাবিৰ পৰা টানি আজুৰি এই ফুলবোৰ সংগ্ৰহ কৰা হৈছিল। ফলত অসমৰ হাবিৰ ৭০ শতাংশ


কপৌ ফুলেই লুপ্ত হ'ল। দুখৰ বিষয় যে, যিবিলাক কপৌফুল বৃটিছ ব্যৱসায়ীয়ে বিক্ৰীৰ বাবে লৈ গৈছিল তাৰ বেছিভাগেই জাহাজত পঁচি গৈছিল। এনেদৰে এসময়ৰ অৰ্কিডৰ বেপাৰে অসমৰ কপৌফুলৰ জগতখনৰ বিস্তৰ ক্ষতিসাধন কৰি থৈ গৈছে। কিন্তু গছৰ তলৰ পৰা আনি মঞ্চত তুলি বিহুক সহযোগিতাৰ উৎসৱৰ পৰা প্ৰতিযোগিতাৰ উৎসৱ আৰু গ্লেমাৰ সৰ্বস্ব বৈদ্যুতিন মাধ্যমৰ 'বিজুলী বিহু' কৰি পেলোৱাৰ পিছত. আমাৰ বিচাৰকসকলে নাচনীৰ খোপাৰ কাষলৈ গৈ কপৌফুলপাহ প্লাষ্টিকৰ নে 'অৰিজিনেল ' তাক চাক্ষুষ পৰ্যবেক্ষণ কৰিহে মূল্যাংকণ কৰাৰ পৰিৱেশ ৰচনা হৈছে আৰু কপৌফুলে প্ৰমাদ গুণিব লগা হৈছে। আমি বিহুৰ নামত বহুবিলাক বিপদেই চপাই আনিছো। মনৰ বিহুক ধনৰ বিহুলৈ ৰূপান্তৰিত কৰিছো আৰু ইয়াক এক খৰচী উৎসৱত পৰিণত কৰাই নহয়, প্ৰকৃতি বিনষ্ট কৰা ধৰণৰ উৎসৱলৈ ৰূপান্তৰিত কৰিছো। সঁচাকৈয়ে বিহু প্ৰতিযোগিতা বিলাকৰ বাবে কপৌফুলৰ বিপদ মাতি আনিছো। সংবেদনশীল প্ৰকৃতিপ্ৰেমী আৰু বিশেষজ্ঞসকল এই ক্ষেত্ৰত উদ্বিগ্ন হৈ পৰিছে আৰু মনোৰঞ্জন কৰিবলৈ গৈ বিপদগ্ৰস্ত হোৱা এবিধ আপুৰুগীয়া উদ্ভিদৰ বংশ বিনাশ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছে। উল্লেখনীয় যে কপৌ ফুল এবিধ হিমালয়ান অৰ্কিড। হিমালয়ান অৰ্কিডৰ এক বিস্ময়কৰ বৈশিষ্ট যে ইয়াৰ পাহত কেতবোৰ পখী, জন্তু আদিৰ প্ৰতিকৃতি প্ৰকৃতিয়ে সৃষ্টি কৰে । কপৌফুল ছিঙা মানে প্ৰকৃতিয়ে ফুলত ৰচনা কৰা ভাস্কৰ্য ধ্বংস কৰা । ই এক অপৰাধ । আমি এনে অপৰাধ কৰা অনুচিত আশাকৰোঁ বিহু নৃত্য বিচাৰকসকলে বিষয়টো সহৃদয়ভাৱে বিবেচনা কৰিব আৰু বিকল্প নিৰ্দ্ধাৰণ কৰি দিব।

# লোক পৰম্পৰা আৰু ঔষধত ব্যৱহৃত কিছুমান অৰ্কিড


**ড° নৱমী বসুমতাৰী**
মূৰব্বী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ
ভোলানাথ মহাবিদ্যালয়, ধুবুৰী


অৰ্কিড হ'ল এবিধ অতিকৈ ধুনীয়া ফুলৰ অধিকাৰী উদ্ভিদ। প্ৰায় সোতৰ হেজাৰ প্ৰজাতি সম্বলিত অৰ্কিড গোত্ৰ হ'ল উদ্ভিদ জগতৰ সৰ্ববৃহৎ গোত্ৰ সমূহৰ ভিতৰত অন্যতম। অৰ্কিড ফুলৰ যিমান বিভিন্নতা আৰু ৰঙৰ সমাহাৰ দেখা যায় আন কোনো উদ্ভিদৰ ক্ষেত্ৰত দেখিবলৈ পোৱা নাযায়। ফুলৰ দীৰ্ঘস্থায়িত্ব আৰু গছৰ পৰা কাটি অনাৰ পিছতো বহুদিনলৈ ভালে থকা গুণে এইবিধ উদ্ভিদৰ উদ্যান পালন সংক্ৰান্তীয় মূল্যও বঢ়াই তুলিছে।

ভাৰতবৰ্ষৰ অৰ্কিড চহকী অঞ্চলসমূহ হ'ল উত্তৰ পূৰ্ব্বাঞ্চল, উত্তৰ পশ্চিম হিমালয়, পশ্চিমঘাট আৰু নীলগিৰি অঞ্চল আদি। ইয়াৰ ভিতৰত


*ভাটৌ ফুল*

*আলোকচিত্ৰ - বিশ্বজিৎ গোস্বামী*

উত্তৰ পূৰ্ব্বাঞ্চলক পৃথিৱীৰ ভিতৰতে এক 'Biodiversity Hot Spot' হিচাপে স্বীকৃতি দিয়া হৈছে - ইয়াৰ জৈৱ বৈচিত্ৰ সমূহৰ বাবে। এই জৈৱ বৈচিত্ৰ সমূহৰ ভিতৰত এক উল্লেখযোগ্য নাম হৈছে 'অৰ্কিড'।

উত্তৰ পূৱ অঞ্চলৰ ৰাজ্যসমূহৰ এখন হিচাপে অসমো অৰ্কিডৰ ক্ষেত্ৰত এখন অতি চহকী ৰাজ্য। এতিয়ালৈকে অসমৰ বিভিন্ন অঞ্চলসমূহত প্ৰায় ২১৬ বিধ প্ৰজাতিৰ অৰ্কিড থকাৰ তথ্য পোৱা গৈছে যদিও এই সংখ্যা আৰু বৃদ্ধি পোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। যিহেতু সঠিক ভাৱে সকলো অঞ্চল সামৰি বিজ্ঞান ভিত্তিত ইয়াৰ ক্ষেত্ৰ অধ্যয়ন এতিয়াও যথেষ্ট বাকী আছে।

অৰ্কিডৰ কিছুমান প্ৰজাতি ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতো ওতঃপ্ৰোত ভাৱে জড়িত। তদুপৰি মহিলাসকলে ইয়াৰ ধুনীয়া ফুলসমূহ ব্যক্তিগত সাজসজ্জাৰ কাৰণে অপৰিহাৰ্য্য হিচাপে বিৱেচনা কৰে। অসমৰ সামাজিক আৰু সাংস্কৃতিক জগতৰ এটি এৰাব নোৱাৰা অৰ্কিড হ'ল কপৌফুল। ঘন ফুলৰ মিঠা সুৱাস ছটিওৱা, দোলায়মান 'ৰিঙ্কোষ্টাইলিছ ৰেটুছা' (*Rhynchostylis retusa*) আৰু 'এৰাইডিছ অ'ড'ৰেটাম' (*Aerides odoratum*)-ৰ থোপা বসন্ত উৎসৱ (বহাগ বিহু) ৰ সময়ত ব্যৱহাৰ কৰা হয়। এই ফুল কেইপাহ অসমৰ সামাজিক জীৱনত নৰনাৰীৰ প্ৰেমৰ প্ৰতীক হিচাপে স্বীকৃত। আনহাতে, এই ফুলসমূহ কইনাৰ তথা বিহু নাচনীৰ কেশসজ্জাৰ প্ৰধান উপাদান হিচাপেও ব্যৱহাৰ কৰা হয়। ঠিক সেইদৰে ভাটৌ ফুল (*Papillienanthe teres*) ডাঙৰ অকলশৰীয়া ফুল। বগা ফুলৰ 'ছিলোগাইনি নিটিডা' (*Coelogyne nitida*)-ক ব্যক্তিগত সৌন্দৰ্য্য চৰ্চাত ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও অৰুণাচল প্ৰদেশৰ কামেং জিলাত থকা বৌদ্ধ গোম্ফাসমূহ প্ৰায়ে ফুলি থকা উজ্জ্বল সোনোৱালী-হালধীয়া ৰঙৰ 'ডেণ্ড্ৰবিয়াম হুকাৰিয়াম' (*Dendrobium hookeriaum*) গছেৰে সজ্জিত কৰা হয়।

সৌন্দৰ্য্য আৰু বহুদিনলৈকে সতেজ হৈ থকা গুণৰ অধিকাৰী হোৱা বাবে অৰ্কিডসমূহ ফুলনিত এক উৎকৃষ্ট সৌন্দৰ্য্য বৰ্ধক উদ্ভিদ হিচাপে পৰিগণিত হোৱাৰ উপৰিও কিছুমান অৰ্কিড ইয়াৰ ঔষধি গুণৰ বাবেও অতীজৰে পৰা মানৱ সমাজত বিশেষ সমাদৰ লাভ কৰি আহিছে। কাৰণ অৰ্কিডসমূহত বিভিন্ন ধৰণৰ ৰাসায়নিক পদাৰ্থ, যেনে এলকালয়ড, ফ্লেভনইড, গ্লাইকচাইড, শৰ্কৰা আদি যথেষ্ট পৰিমাণে থাকে। বহু পুৰণি কালৰ পৰাই মানৱ সমাজত ইয়াৰ ঔষধি গুণৰ বাবে বিভিন্ন বেমাৰ আদিত পথ্য হিচাপে ব্যৱহাৰ কৰাৰ উল্লেখ পোৱা যায়। 'ভেনিলা প্লেনিফলিয়া' (*Vanilla planifolia*) নামেৰে এবিধ লতা অৰ্কিড খাদ্য আৰু পানীয়ৰ উৎস হিচাপে খেতি কৰা হয়। গ্ৰীকসকলে বিশ্বাস কৰিছিল যে 'পিতনি অৰ্কিড' অৰ্থাৎ 'অৰ্কিছ মেছকুলা' (*Orchis mascula*)-ৰ যঁজা কন্দ মানুহৰ জীৱনীশক্তি পুনৰুদ্ধাৰৰ কাৰণে শক্তিশালী ঔষধ। কেইবাবিধো প্ৰজাতিৰ অৰ্কিডৰ কন্দ আৰু 'নকল কন্দ' উতলা পানীত কিছুসময়ৰ বাবে জুবুৰিয়াই ৰাখি তাৰ পাছত শুকুৱাই 'সলেপ' হিচাপে সাঁচি ৰাখে। এনেধৰণে তৈয়াৰ কৰা 'সলেপ' সাধাৰণতে ইউনানি আৰু কিছুপৰিমাণে আয়ুৰ্বেদিক ঔষধৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ উল্লেখ পোৱা যায়। অৰ্কিডক এনেধৰণেৰে ঔষধ হিচাপে ব্যৱহাৰৰ কথা বিভিন্ন লোককথা, ধৰ্ম্মীয় পুথি, পুৰণি শাস্ত্ৰ আদিত বিশেষভাৱে পোৱা যায়। খ্ৰীষ্টপূৰ্ব ২০০ চনৰ পৰা ২০০ খ্ৰীষ্টাব্দৰ চীন দেশৰ পুৰণি পুথিত উল্লেখ থকা এবিধ অৰ্কিড হ'ল 'ডেণ্ড্ৰবিয়াম' (*Dendrobium*

*sp.*)। এইবিধ অৰ্কিডৰ শুকুৱাই ৰখা কাণ্ডৰ পৰা শক্তিবৰ্ধক টনিক তথা বিভিন্ন analgesic, astrigent আদি তৈয়াৰ কৰাৰ উল্লেখ পোৱা যায়। ভাৰততো একেলগে আঠবিধ উদ্ভিদৰ এটি সমষ্টি যাক 'অষ্টবৰ্গ' (Ashthawarga) হিচাপে জনা যায়, বিভিন্ন ধৰণৰ ঔষধ তথা শক্তিবৰ্ধক আদিত ব্যৱহাৰ কৰাৰ বিষয়ে জনা যায়। উদাহৰণ স্বৰূপে ক'ব পাৰি 'চ্যৱনপ্ৰাছ'। এই আঠবিধ উদ্ভিদৰ ভিতৰত কিছুমান যেনে - জীৱক (Jeevak) যাৰ বৈজ্ঞানিক নাম 'মেলক্সিচ মুচিফেৰা' (*Malaxis muscifera*), ৰিচবক্ (Rishbhak) 'মেলক্সিচ একুমিনেটা' (*Malaxis acuminata*) ৰিধি (Ridhi) 'হাবেনাৰিয়া ইনটাৰমেডিয়া' (*Habenaria intermedia*), ব্ৰিধি (Vridhi) 'হাবেনাৰিয়া এজৱৰ্থি' (*Habenaria edgewarthi*) আদি হ'ল অৰ্কিড। ইয়াৰ উপৰিও আয়ুৰ্বেদিক ঔষধত সততে ব্যৱহৃত আন এবিধ 'ৰাস্না' (Rasna) নামেৰে জনা অৰ্কিড 'একাম্পে পেপিলোচা' (*Acampe papillosa*)। এনেধৰণে ঔষধি গুণৰ বাবে আয়ুৰ্বেদিক তথা এথিন' মেডিচিনেল হিচাপে বিভিন্ন ভাৱে ব্যৱহৃত হোৱা কেইবিধ মান অৰ্কিড হ'ল - 'ভেণ্ডা স্পেথুলা' (*Venda spathula*)-ৰ ফুল গুড়ি কৰি মৃগী ৰোগৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। 'একাম্পে পেপিল'ছা' (*Acampe papillosa*)-ৰ শিপা থেতেলিয়াই সেয়া গাঁঠিৰ বিভিন্ন ধৰণৰ বিষত প্ৰলেপ হিচাপে প্ৰয়োগ কৰা হয়। 'এৰাডিচ অড'ৰেটা' (*Aerides odorata*)-ৰ গছডালৰ পৰা ৰস উলিয়াই তাক যক্ষ্মা বেমাৰত (Anti tuberculosis) ব্যৱহাৰ কৰা হয়। 'অৰুণডিনা গ্ৰেচিলি' (*Arundina gracile*)-ৰ শিপা বটি তাক বিভিন্ন ঔষধৰ সংযোগী আঠা হিচাপে ব্যৱহাৰ কৰা হয়। 'বালৱফাইলাম আমবেলেটাম' (*Bulbophylum umbellatum*)-ৰ ৰস দীৰ্ঘজীৱন লাভৰ বাবে টনিক হিচাপে ব্যৱহাৰ হয়। 'কেলান্থে ট্ৰিপলিকেটা' (*Calanthe triplicata*)-ৰ শিপাৰ ৰস পেটচলা আৰু দাঁতৰ বিষ নিৰাময়ৰ বাবে ব্যৱহৃত হয়। 'ক্লেইচষ্টমা উইলিয়ামচনি'(*Cleisostoma williamsonii*)-ৰ কাণ্ড আৰু পাত হাড় ভঙা চিকিৎসাত ব্যৱহাৰ হয়। 'চিলগাইনি পাংকটুলেটা' (*Coelogyne punctulata*)-ৰ শুকান কন্দ গুড়ি কৰি জুয়ে পোৰা আৰু কটা-ছিঙা ভাল কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। সেইদৰে 'চিলগাইনি কৰিম্বচা' (*Coelogyne corymbesa*) -ৰ কন্দৰ সতেজ ৰস জুয়ে পোৰা বিষ নিৰাময়ৰ বাবে ব্যৱহৃত হয়। 'ডেনড্ৰবিয়াম ফিনব্ৰিয়েটাম' (*Dendrobium fimbriatum*) গছৰ ৰস লিভাৰৰ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয় তথা স্নায়বিক দুৰ্বলতাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰা হয়। 'ডেন্ড্ৰবিয়াম ন'বাইল' (*Dendrobium nobile*)-ৰ গুটি কটা-ছিঙা আদি সোনকালে শুকাবৰ বাবে ব্যৱহাৰ কৰা হয়। 'ইৰিয়া স্পাইকাটা' (*Eria spicata*)-ৰ কাণ্ড বটি লৈ মূৰৰ বিষ ভাল কৰিবৰ বাবে প্ৰলেপ হিচাপে ব্যৱহাৰ হয়। 'ছিম্বিডিয়াম জাইগেন্টিয়াম' (*Cymbidium gigantium*)-ৰ পাত খুন্দি তাৰ ৰস গভীৰ আঘাতৰ পৰা ওলোৱা তেজ গোট মৰাবলৈ ব্যৱহাৰ কৰা হয়। 'ভাণ্ডা টেছেলটা' (*Vanda tesselata*)-ৰ গুৰি কৰা শিপা বিষক্ৰিয়াৰ প্ৰতিষেধক দ্ৰব্য হিচাপে গণ্য কৰা হয় তথা বাত বিষ আৰু উদৰৰ পীড়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। 'ইউলোফিয়া' (*Eulophia sp.*)-ৰ পৰা তৈয়াৰ কৰা 'সলেপ' কামোদ্দীপক হিচাপে পৰিগণিত। স্থানীয় ভাৱে ইয়াক 'ছালমিছিৰি' বোলা হয়।

এনেধৰণে অৰ্কিডসমূহ ব্যৱহাৰৰ কাৰণে বনৰ পৰা বহু পৰিমাণে সংগ্ৰহ কৰিব লগা হয় আৰু তাৰ ফলত বহুত অৰ্কিড লুপ্ত প্ৰায় হোৱাৰ পথত অগ্ৰসৰ হৈছে অথবা সম্পূৰ্ণভাৱে লুপ্ত হৈছে। 'সলেপ' ৰ ওপৰত যি ধৰণে

ঔষধি গুণ আৰোপ কৰা হৈছে সেই হিচাপে তাৰ ৰাসায়নিকবিশ্লেষণ কৰা হোৱা নাই যদিও প্ৰাচ্যৰ বজাৰত বিশেষকৈ চীন, আফগানিস্থান আৰু ভাৰতত ইয়াৰ যথেষ্ট চাহিদা আছে। তদুপৰি বৈজ্ঞানিক পদ্ধতিৰে ইয়াৰ উৎপাদনৰ চেষ্টা নকৰাৰ ফলত তথা যধেমধে সংগ্ৰহ কৰাৰ ফলত বিভন্ন অৰ্কিড প্ৰজাতিসমূহৰ অস্তিত্বৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি হৈছে।

সাম্প্ৰতিক কালত ফুলনিত সৌন্দৰ্য্য বৰ্ধক উদ্ভিদ হিচাপে ইয়াৰ চাহিদা বৃদ্ধি পোৱা বাবে অৰণ্যৰ পৰা অবৈধভাৱে এনে উদ্ভিদৰ পুনঃ পুনঃ সংগ্ৰহ বৃদ্ধি পোৱাৰ ফলত এইবোৰ অৰ্কিডৰ স্বাভাৱিক পৰিৱেশৰ স্থায়ী ক্ষতিসাধন হৈছে। যাৰ বাবে অৰ্কিডবোৰ স্বাভাৱিক পৰিৱেশত নিজকে পুনৰ প্ৰতিষ্ঠা কৰাত বিফল হোৱা পৰিলক্ষিত হৈছে আৰু তাৰ পৰিণাম স্বৰূপে ইয়াৰ সংখ্যা কমি আহিছে। বাণিজ্যিক শোষণৰ উপৰিও বিকাশৰ ফলস্বৰূপেও দেশৰ বিভিন্ন অংশত বাসস্থানৰ বৃহৎ মাত্ৰাৰ পৰিৱৰ্তন, নতুন বাট-পথ নিৰ্মাণ, নতুন উদ্যোগ স্থাপন, অথবা নতুন চহৰ আদি নিৰ্মাণ কৰাৰ ফলত প্ৰকৃতিৰ এনে কিছু পৰিৱৰ্তন সাধিত হৈছে যে ই কোনোপধ্যে পূৰ্বৰ অৱস্থালৈ উভতি যাব নোৱাৰে। ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ অথবা পৰোক্ষ ভাৱে পৰিছে উদ্ভিদ তথা প্ৰাণী জগতৰ ওপৰত। যাৰ ফলত বহু আপুৰুগীয়া মূল্যৱান অৰ্কিড চিৰদিনৰ বাবে লুপ্ত অথবা লুপ্তপ্ৰায় অৱস্থাত বিৰাজ কৰিছে। তদুপৰি অপেছাদাৰী অৰ্কিডপ্ৰেমী সকলে ঘৰলৈ নিয়া আৰু বন্ধু-বান্ধৱক উপহাৰ দিয়াৰ প্ৰতি থকা আগ্ৰহৰ অতিশায্যৰ ফলত আটাইবোৰ অৰ্কিড বৃক্ষৰ পৰা ঢাহিঁ মুহিঁ নি অনিচ্ছাকৃতভাৱে অৰ্কিডৰ বিলুপ্তিত অধিক অৰিহণা যোগাই আছে।

এই অৰ্কিডসমূহ হ'ল আমাৰ সম্পদ। গতিকে পৃথিৱীৰ অইন বহু দেশত সিহঁতক ৰক্ষণাবেক্ষণ দিয়া আৰু সংৰক্ষণৰ বাবে যি সচেতনতা গঢ়ি তুলিছে তেনে সচেতনতা আমাৰ মাজত গঢ়ি তুলিব চেষ্টা কৰিব লাগিব। নহ'লে প্ৰকৃতিয়ে অযাচিতে দিয়া আমাৰ এই অমূল্য সম্পদসমূহ চিৰদিনৰ বাবে হেৰুৱাব লাগিব।

তদুপৰি অসমৰ বিভিন্ন অৰ্কিড-চহকী বনাঞ্চলসমূহ সংৰক্ষণ কৰিবৰ বাবে ব্যৱস্থা তথা সচেতনতা বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বিভিন্ন বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰা এই অৰ্কিডসমূহ কৰ্ষণ কৰি ইয়াৰ উৎপাদন বৃদ্ধি কৰাৰ চেষ্টা কৰিব লাগিব। বৰ্তমান সময়ত অৰ্কিডৰ সংৰক্ষণৰ বাবে জেহাদ ঘোষণা কৰিবলৈ আৰু প্ৰচাৰ অভিযান চলোৱাতো অতিকে প্ৰয়োজনীয় হৈ পৰিছে। অন্যথা আমি আমাৰ অসমৰ সাংস্কৃতিক তথা সামাজিক জীৱনৰ পৰা অতি সোনকালে অৰ্কিডক বিদায় জনাবলগীয়া দিন এটি চমু চপা পৰিলক্ষিত হৈছে।

References :

1. Sarma S (1994): Bharatar Orchid, National Book Trust, India, A-5 Green Park New Delhi-110016.

2. Sarma C M, Bora R K and Basumatary N (2007) : Medicinally important Orchids of North East India, Environment & Ecoplanning, 14 (1-2) 91-100.

-----

*(প্ৰৱন্ধকাৰ ড° নৱমী বসুমতাৰী ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী আধ্যাপিকা। তেখেতৰ ই মেইল -bnabamibnc@gmail.com)*

# কপৌফুলৰ নাচনী পাক

*বিশ্বজিৎ গোস্বামী*
*মূৰব্বী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ*
*বিলাসীপাৰা মহাবিদ্যালয়*

যিবিধ ফুলৰ নামটো শুনিলেই প্ৰায় প্ৰতিজন অসমীয়াৰে দেহা-মন উৎফুল্লিত হৈ পৰে সেয়াই হৈছে 'কপৌফুল'। ব'হাগ মাহক সম্ভাষণ জনাই ফুলি উঠা নাহৰ, তগৰ, আদিৰ লগতে বিহুটোক আদৰিবলৈকে যেন ফুলি উঠে সুন্দৰ এই ফুলবিধ। দেখিলেই আপোনা-আপুনি ওলাই আহে বিহু নাম এফাঁকি। নাচনীয়ে মনতে এটা পাকো মাৰি লয়। কিয়নো নামাৰিব ? এই কপৌফুলে নিচেই কুমলীয়া অৱস্থাতে নিজেও এটা পাক মাৰি লয় নহয়! অৱশ্যে এটা সম্পূৰ্ণ পাক নহয় - আধা পাকহে মাৰে। কপৌফুলে তাৰ বিকাশৰ সময়তে নিজৰ ঠাৰি ডালৰ ওপৰত ১৮০° অৰ্থাৎ আধা পাক মাৰি তাৰ সন্মুখফাল আৰু পিছফালৰ দিশ পৰিৱৰ্তন কৰি লয়। ইয়াকে উদ্ভিদ বিজ্ঞানৰ ভাষাত ফুলপাহে 'ৰেছাপিনেট' (Resupinate) কৰা বুলি কোৱা হয়। চাওকচোন কেনে বিচিত্ৰ কাণ্ড - নিজে মাৰে আধা পাক আৰু তাক পিন্ধা নাচনীজনীয়ে পাক মাৰি মাৰি তত নোপোৱা হয়গৈ। এই পাক মৰা গুণটোৰ বাবেই চাগে আমাৰ পূৰ্ব্বপুৰুষ সকলে ইয়াক নাচনীৰ খোপাৰ এক বিশেষ অলংকাৰ বুলি গণ্য কৰি লৈছিল। আমাৰ পূৰ্ব্বপুৰুষ সকলে এই পাক মৰাৰ কথা জনা-নজনাকৈ অলপ সন্দেহ থাকিব পাৰে। পিছে, তাহানি কালত কপৌফুলৰ প্ৰতি থকা মানুহৰ দৃষ্টি ভঙ্গীৰ বিষয়ে অকণমান মন কৰিলেই সেই সন্দেহ দূৰ হ'বলৈ বেছি পৰ নালাগিব চাগে। কপৌফুলৰ নাম কিয় কপৌ চৰাই লগত মিল ৰাখি দিয়া হৈছে বাৰু ? কাৰণটো সকলোৰে জ্ঞাত নহ'বও পাৰে। পূৰ্ণ বিকশিত কপৌফুল এপাহ ভালদৰে মন কৰিলে দেখা যায় যে তাৰ ভিতৰত কপৌ চৰাই এজনী বহি থকা আকৃতি এটা আছে। সেয়েহে চাগে কোনোবা প্ৰকৃতিপ্ৰেমীয়ে এই ফুলৰ নাম 'কপৌ' থয়।



আমাৰ অতিকৈ আপোন এই কপৌফুলক সঠিক ভাৱেই অসমৰ 'জাতীয় ফুল'ৰূপে গণ্য কৰা হৈছে। পিছে, বৰ্তমানে এই ফুলৰ অৱস্থা বৰ ভয়াবহ। কোন ক্ষণত ই বিলুপ্ত হয়গৈ তাৰ ঠিক নাই। ভাৱকচোন কপৌফুল নথকা এটা বিহুৰ কথা। নাইবা কপৌফুল নথকা অসমৰখনৰে কথা ভাবকচোন। জাতীয় জন্তু গঁড় নাই, জাতীয় চৰাই দেওহাঁহ নাই, জাতীয় ফুল কপৌ নাই। মনটো দুখেৰে ভৰি গ'লেই। চিন্তা নকৰিব। এতিয়াৰে পৰা আমি সকলোৰে সাৱধান হ'লে তেনে এটা দিন কেতিয়াও নাহিব। কৰিবলৈ বিশেষ একো নাই। ঠিক যেনেদৰে জাতীয় জন্তু গঁড়

আমি ঘৰে ঘৰে পুহিবলৈ ব্যৱস্থা লোৱা নাই আৰু কোনোবাই গঁড় হত্যা কৰা বুলি শুনিলেই গৰজি উঠিছো, তেনে ব্যৱহাৰ কপৌ ফুলৰ প্ৰতিও কৰিব লাগে। হাবিত কপৌফুল দেখিলেই সেয়া ঘৰলৈ লৈ অহাৰ চিন্তা মনলৈ আনিব নালাগে, কোনোবাই আনিব খুজিলে তাক বিনম্ৰতাৰে, যুক্তি সহকাৰে কিন্তু সৰলভাৱে বাধা দিব লাগে। কপৌফুলৰ গুটিবোৰ সহজে য'তে-ত'তে নগজে। গুটিবোৰৰ নিজৰ কোনো সঞ্চিত খাদ্য নাই আৰু খাদ্য যোগাৰ কৰি লোৱাৰ কোনো ক্ষমতা নাই বুলি ক'লেও অতিৰঞ্জিত কৰা নহ'ব। সেয়েহে প্ৰতি বছৰে মাত্ৰ এবাৰ ফুলি উঠাৰ সময়তে ফুলথোক ছিঙি আনি খোপাত গুজি বিহুতলীত নাচিবৰ বাবে ব্যৱহাৰ কৰা হয়। ফলত ফুলথোকে তাৰ নিজ দায়িত্ব অৰ্থাৎ গুটি প্ৰস্তুত কৰিব নোৱাৰে। সেয়েহে প্ৰতি বছৰে উৎপন্ন হ'ব লগা গুটিৰ সংখ্যাও অতি কমহৈ গৈছে ফলত নতুন গছৰ সৃষ্টিও কমি গৈছে। আমি বাৰু এটা কাম কৰিব নোৱাৰো নে? অসমৰ সকলো বিহু সমিতিয়ে সিদ্ধান্ত লৈ কপৌফুল খোপাত লৈ মঞ্চবিহুত নচাটো বন্ধ কৰিব নোৱাৰো নে? তেনে কৰিলে কপৌফুলৰ এক ডাঙৰ উপকাৰ কৰা হ'ব। ঠিক যেনেদৰে অসমৰ ৰাইজে কৰি দেখুৱাইছে - গঁড়ৰ খড়গৰ আঙঠি ব্যৱহাৰ কৰাটো বন্ধ কৰি। ইয়াৰ বাবে অসমবাসী হিচাপে আমি গৌৰৱান্বিত। তাৰোপৰি সৰুতে শুনিছিলো যে, কপৌফুল কেৱল সেই গৰাকী বিহুৱতীয়ে হে খোপাত লয় যিগৰাকীৰ প্ৰেমিকে (কাৰোবাৰ ক্ষেত্ৰত গিৰীয়েকে) সেয়া আনি দিয়ে। আনসকলে (যিসকলৰ প্ৰেমিক নাই) খোপাত নাহৰ নাইবা তগৰ (জাপ তগৰ বা গন্ধৰাজ বুলিও অনেকে কয়) হে গুজি লয়। বিহু গীততো কপৌফুল প্ৰেমিক ডেকাই আনি দিয়াৰ কথাহে পোৱা যায়, নিজে ছিঙি অনাৰ কথা নাই। সেয়েহে আমি বাৰু খোপাত তগৰ নাইবা নাহৰ গুজি বিহুতলীত নচাৰ এক পৰম্পৰা গঢ়ি তুলিব নোৱাৰোনে? এই ক্ষেত্ৰত উনুকিয়াব পাৰি যে তগৰ এক ঘৰচীয়া (domesticated) গছ আৰু নাহৰ গছৰ অসংখ্য ফুল একলেগে ফুলে বাবে তাৰ বিশেষ ক্ষতি হ'ব বুলি মনে নধৰে। এইবাৰ বহাগতে ৰাইজে পণ কৰি কপৌফুলক চিৰস্থায়ী হোৱাৰ এক অৱস্থা প্ৰদান কৰিব বুলি আশা কৰিলো।



কপৌফুলত কপৌচৰাইৰ প্ৰতিকৃতি
আলোকচিত্ৰ - বিশ্বজিৎ গোস্বামী


-------


*(লেখকৰ দূৰভাষ, নম্বৰ -০৩৬৬৭২৫২০২২ আৰু ই মেইল -goswami_bilasipara@rediffmail.com)*


কপৌফুলৰ পাহত যিদৰে কপৌ চৰাইৰ আকৃতি দেখিবলৈ পোৱা যায়, হিমালয় পৰ্বতত পোৱা কিছুমান অৰ্কিডত চৰাই, হনুমান, বান্দৰ আদিৰ প্ৰতিকৃতি দেখা পোৱা যায়। অৰ্কিডৰ এয়ে বিশেষ বৈশিষ্ট্য যে ইয়াত প্ৰকৃতিয়ে কেতবোৰ প্ৰাণীৰ প্ৰতিকৃতি সৃষ্টি কৰে —

**কেইবিধমান হিমালয়ান অৰ্কিডৰ ছবি –**









*GREEN LETTER OR SEUJ PATRIKA, an environmental Journal Book Published by Bilasipara Sub-Divisional Public Library in collaboration with Aranya Suraksha Samiti, Assam & Bilasipara College Library Study Circle.*

*Address for Communication :- Bilasipara College Library, Bilasipara Dist. Dhubri (Assam) 783348*

**Price - Rs. 10/-**

**Chief Editor - Dr. Hari C. Das (Hon.)**
Dial : 94351-25822 (M)
**Editor - Biswajit Goswami (Hon.)**

***E-mail - editorharicharan@gmail.com***

PRINTED BY - GOPI OFFSET PRESS, BILASIPARA, Mobile - 94352-89565
DTP BY - RAMANATH COMPUTER KENDRA, PUKHURIPARA, SALKOCHA